নং ঃ ৬৭২/২০২০

<u>কংগ্ৰেছ দুৰ্নীতিৰ সদাগৰ, নিজৰ ১৫ বছৰীয়া শাসনকালত কংগ্ৰেছে ৰাজ্যত দুৰ্নীতিৰ দোকান খুলি লৈছিল ঃ মুখ্যমন্ত্ৰী</u>

# বৰ্তমানৰ চৰকাৰৰ কাৰ্যকালত বিভিন্ন বিভাগত প্ৰায় ৮০,০০০ যুৱক-যুৱতীক সম্পূৰ্ণ মেধা আৰু যোগ্যতাৰ ভিত্তিত নিয়মীয়া তথা ঠিকাভিত্তিত নিযুক্তি প্ৰদান কৰা হৈছে ঃ মুখ্যমন্ত্ৰী

<u>উপ-পৰিদৰ্শক নিযুক্তিৰ বেমেজালিত জড়িত আপোন-পৰ কাকো ৰেহাই দিয়া নহ'ব, অসম আৰক্ষীয়ে সম্পূৰ্ণ সততা আৰু দক্ষতাৰে এই গোচৰৰ তদন্ত কৰি আছে ঃ মুখ্যমন্ত্ৰী</u>

**দিছপুৰ, ৫ অক্টোবৰ ঃ** "বৰ্তমানৰ চৰকাৰখন শাসনলৈ অহাৰ পাছতেই বিগত চাৰে চাৰিটা বছৰে চৰকাৰৰ বিভিন্ন বিভাগত প্ৰায় ৮০,০০০ যুৱক-যুৱতীক সম্পূৰ্ণ মেধা আৰু যোগ্যতাৰ ভিত্তিত নিয়মীয়া তথা ঠিকাভিত্তিত নিযুক্তি প্ৰদান কৰা হৈছে। এই নিযুক্তিসমূহৰ ক্ষেত্ৰত কেতিয়াও কোনেও চৰকাৰৰ বিৰুদ্ধে অনিয়মৰ আঙুলি উঠাবলৈ সুযোগ পোৱা নাই। শেহতীয়াকৈ অসম আৰক্ষীৰ উপ-পৰিদৰ্শক নিযুক্তিৰ ক্ষেত্ৰত কোনো দুষ্ট চক্ৰই চৰকাৰখনৰ নিকা ভাবমূৰ্তিত চেকা লগাবলৈ অপচেষ্টা কৰিছিল। কিন্তু এই কথা দৃষ্টিগোচৰ হোৱাৰ পাছতেই অতি তৎপৰতাৰে এই পৰীক্ষা বাতিল কৰা হ'ল।"— আজি মাজুলীৰ দৰিয়াপাৰস্থিত মাজুলী মহাবিদ্যালয় খেলপথাৰত আয়োজিত ভূমিহীন খিলঞ্জীয়া হিতাধিকাৰীলৈ ভূমিপট্টা আৰু আবণ্টন পত্ৰ বিতৰণী অনুষ্ঠানৰ পাছতেই সাংবাদিকৰে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই মন্তব্য কৰে। তেওঁ কয় যে এই অপকৰ্মত জড়িত কোনো এগৰাকী লোককেই চৰকাৰে সাৰি যাবলৈ নিদিয়ে। অসম আৰক্ষীয়ে সম্পূৰ্ণ সততা আৰু দক্ষতাৰে এই গোচৰৰ তদন্ত কৰি আছে বুলি জানিবলৈ দি এইক্ষেত্ৰত সন্দেহৰ আঙুলি উঠা আপোন-পৰ কাকো ৰেহাই দিয়া নহ'ব বুলি তেওঁ স্পষ্ট কৰি দিয়ে।

কংগ্ৰেছৰ ১৫ বছৰীয়া অপশাসনত সংঘটিত পৰ্বতসম দুৰ্নীতিৰ বাবে দলটোক কঠোৰ ভাষাৰে সমালোচনা কৰি মুখ্যমন্ত্ৰীয়ে কংগ্ৰেছক 'দুৰ্নীতিৰ সদাগৰ' বুলি আখ্যা দিয়ে। কংগ্ৰেছে দুৰ্নীতিৰ প্ৰতিবাদ কৰা আৰু বাঘে নিৰামিষভোজী হবলৈ চেষ্টা কৰা একেই কথা বুলি মন্তব্য কৰি তেওঁ কয় যে নিজৰ শাসনকালত কংগ্ৰেছে ৰাজ্যত দুৰ্নীতিৰ দোকান খুলি লৈছিল। প্ৰায় প্ৰতিটো বিভাগতে নিযুক্তি, ঠিকা-ঠুকলিৰ নামত দলটোৰ নেতা-পালিনেতাই অবাধ কেলেংকাৰিৰ বেহা চলাইছিল। দুৰ্নীতিক তেওঁলোকে চৰকাৰী প্ৰশাসন যন্ত্ৰৰ এক অভিন্ন অংগ কৰি পেলাইছিল। ২০১৬ চনত বৰ্তমানৰ চৰকাৰখন শাসনলৈ

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

অহাৰ পাছৰ পৰা কংগ্ৰেছে লেতেৰা কৰি যোৱা প্ৰশাসন যন্ত্ৰটো চাফা কৰি তোলাৰ কামতেই যথেষ্ট সময় ব্যয় কৰিব লগা হৈছে বুলি উল্লেখ কৰি তেওঁ কয় যে নিজে ডিঙিলৈকে বোকাত ডুবি থাকি আনৰ পোছাকত বোকাৰ দাগ দেখি ইঁহাৰ দৰেই এই দলটোৱে দুৰ্নীতিৰ বিৰুদ্ধে মাত মতাৰ অধিকাৰ কেতিয়াবাই হেৰুৱাই পেলাইছে।

মুখ্যমন্ত্ৰীয়ে কয় যে লোকসেৱা আয়োগৰ কেলেংকাৰি, আনটাইড ফাণ্ডৰ খেলিমেলি, ভূমি অধিগ্ৰহণ কেলেংকাৰি, আৱকাৰী বিভাগৰ বণ্ডেড ৱেৰহাউচ কেলেংকাৰি, কৃষি বিভাগৰ সাৰ আৰু বীজ কেলেংকাৰি আদিকে ধৰি কংগ্ৰেছৰ ১৫ বছৰীয়া অপশাসনত সংঘটিত দুৰ্নীতিৰ তালিকাখন খুচৰিবলৈ গলে ই অসমৰ ইতিহাসত সৰ্বকালৰ সৰ্ববৃহৎ তালিকাত পৰিণত হ'ব। দুৰ্নীতি সংঘটিত কৰাৰ ক্ষেত্ৰত কংগ্ৰেছ দলটো ইমানেই অসংবেদনশীল আৰু অমানৱীয় আছিল যে তেওঁলোকে আনকি শিশুৰ মুখৰ পুষ্টিকৰ আহাৰো চান কাঢ়ি খাবলৈ কুণ্ঠাবোধ কৰা নাছিল। সমাজ কল্যাণ বিভাগৰ এই কুখ্যাত শিশুখাদ্য কেলেংকাৰিৰ দৰেই ভুৱা ৰেচন কাৰ্ড প্ৰস্তুত কৰি দুখীয়া ৰাইজৰ বাবে অহা চাউল, আটা আদি সুলভ মূল্যৰ খাদ্য সামগ্ৰীও কংগ্ৰেছে আত্মসাৎ কৰিছিল। ইন্দিৰা আৱাস যোজনাৰ নামত দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়ালৰ বাবে অহা ঘৰকেইটা আবণ্টনৰ নামতো এই দলটোৱে দুৰ্নীতিৰ পোহাৰ মেলিছিল বুলি তেওঁ উল্লেখ কৰে।

বৰ্তমানৰ ৰাজ্য চৰকাৰখনে দুৰ্নীতিৰ বিৰুদ্ধে প্ৰথমৰে পৰাই শূন্য সহনশীল নীতি গ্ৰহণ কৰি আহিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে "নিদিওঁ আৰু নলওঁ" নীতিক আজি ৰাজ্যৰ প্ৰতিটো চৰকাৰী কাৰ্যালয়ৰ অন্যতম মূল নীতিত পৰিণত কৰা হৈছে। দুৰ্নীতিত জড়িত ভাৰতীয় অসামৰিক সেৱাৰ সচিব পৰ্যায়ৰ বিষয়াকে ধৰি মুখ্য অভিযন্তা, উপায়ুক্ত, ডি এফ অ', অতিৰিক্ত উপায়ুক্ত, সঞ্চালক, চক্ৰ বিষয়াৰ দৰে লোককো ৰঙাঘৰলৈ পঠোৱাৰ ক্ষেত্ৰত বৰ্তমানৰ চৰকাৰখনে কুণ্ঠাবোধ কৰা নাই। অসম লোকসেৱা আয়োগৰ সংস্কাৰ সাধন কৰি চৰকাৰখনে প্ৰকৃত মেধাসম্পন্ন যুৱক-যুৱতীৰ মুখত হাঁহি বিৰিঙোৱাৰ লগতে তেওঁলোকক ৰাজ্যৰ প্ৰশাসন ব্যৱস্থাৰ অংগ হোৱাৰ সুযোগ প্ৰদান কৰা হৈছে বুলি তেওঁ মন্তব্য কৰে।

মুখ্যমন্ত্ৰীয়ে লগতে কয় যে নিজৰ গাত লাগি থকা কেলেংকাৰিৰ নজহা-নপমা দাগবোৰ ঢাকিবলৈ কংগ্ৰেছে বৰ্তমানৰ চৰকাৰখনৰ প্ৰতিটো কাম-কাজকে অনৰ্থক সমালোচনা কৰি অহাটো নিয়ম কৰি লৈছে। এনে কূট-কৌশলেৰে কোনেও ৰাজ্য চৰকাৰখনক পথভ্ৰষ্ট কৰিব নোৱাৰে বুলি মন্তব্য কৰি তেওঁ কয় যে এই চৰকাৰ কংগ্ৰেছৰ ওচৰত নহয়, অসমৰ বৰাক-ব্ৰহ্মপুত্ৰ-পাহাৰ-ভৈয়ামৰ ৩ কোটি ৪০ লাখ জনতাৰ ওচৰতহে দায়বদ্ধ। জনতাৰ মতামত আৰু দিহা-পৰামৰ্শক চৰকাৰখনে সদায়েই ইতিবাচক দৃষ্টিভংগীৰে গ্ৰহণ কৰি আহিছে। অনাগত দিনতো অসমবাসীক সম্পূৰ্ণ স্বচ্ছ আৰু নিকা প্ৰশাসন প্ৰদানৰ স্বাৰ্থত ৰাজ্য চৰকাৰে সম্পূৰ্ণ দায়বদ্ধতাৰে কাম কৰি যাব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

**সুঃদঃ / প্ৰঃকুঃবঃ**
**০৫/১০/২০২০**